**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***
-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মেক-ইন-ইণ্ডিয়া পদক্ষেপৰ ১০ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে ইয়াৰ সৈতে জড়িত সকলোকে প্ৰশংসা কৰিছে।

২। প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, আৰু প্ৰতিৰক্ষা মন্ত্ৰীয়ে পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মবাৰ্ষিকী উপলক্ষে আজি তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

৩। ভাৰতে শক্তিৰ সূচকাংকৰ দিশৰ পৰা জাপানক অতিক্ৰম কৰি ASIA POWER INDEX-ৰ তৃতীয় স্থান অধিকাৰ কৰিছে।

৪। কেন্দ্ৰীয় মন্ত্ৰী সুৰেশ গোপী আৰু বি এল বাৰ্মাই আজি অসমৰ ভিন ভিন স্থান পৰিদৰ্শন কৰে।

**আৰু**

৫। মাকাউ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ গায়ত্ৰী গোপীচান্দ আৰু তৃষা জ'লী ৰাউণ্ড অৱ ছিক্সিটনত উপনীত হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মেক ইন ইণ্ডিয়া পদক্ষেপৰ ১০ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে ইয়াৰ সৈতে জড়িত সকলোকে প্ৰশংসা কৰিছে। এটা ছ'চিয়েল মিডিয়া পোষ্টত মোদীয়ে কয় যে 'মেক ইন ইণ্ডিয়া'ই ১৪০ কোটি ভাৰতীয়ৰ সামূহিক সংকল্পক তুলি ধৰিছে ভিন যাতে ভাৰতক উৎপাদন আৰু উদ্ভাৱনৰ শক্তি কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিব পাৰি। তেওঁ 'মেক ইন ইণ্ডিয়া'ক সম্ভৱপৰ সকলো উপায়েৰে উৎসাহিত কৰাৰ বাবে চৰকাৰৰ দায়বদ্ধতাক পুনৰ উল্লেখ কৰে। মোদীয়ে কয় যে বিভিন্ন খণ্ডত ৰপ্তানি কেনেকৈ বৃদ্ধি পাইছে, সামৰ্থ্য গঢ়ি তুলিছে, আৰু এইদৰে, অৰ্থনীতি কেনেকৈ শক্তিশালী হৈছে, সেয়া উল্লেখযোগ্য। যোৱা দশকত এই আন্দোলনক সফল কৰাৰ বাবে অক্লান্তভাৱে কাম কৰি থকা সকলোকে তেওঁ প্ৰশংসা কৰে। তেওঁ লগতে কয় যে সংস্কাৰৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতি অব্যাহত থাকিব

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মবাৰ্ষিকী উপলক্ষে আজি তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ৰাষ্ট্ৰবাদী মহান পণ্ডিতগৰাকীয়ে আৰম্ভ কৰা অন্ত্যোদয়াৰ অৱধাৰণাই উন্নত ভাৰতবৰ্ষৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। দেশৰ প্ৰতি পণ্ডিত দীনদয়াল উপাধ্যায়ে আগবঢ়াই থৈ যোৱা নিষ্ঠা আৰু সেৱা চিৰস্মৰণীয় হৈ ৰ'ব বুলিও তেওঁ মত প্ৰকাশ কৰে।

গৃহমন্ত্ৰী অমিত শ্বাহে পণ্ডিত দীনদয়াল উপাধ্যায়ক এগৰাকী দেশপ্ৰেমীক, মানৱীয়তাৰ পথ প্ৰদৰ্শক আৰু ৰাজনৈতিক দিশৰ এগৰাকী চিন্তাশীল ব্যক্তি বুলি অভিহিত কৰি কয় যে, অন্ত্যোদয়া সন্দৰ্ভত তেওঁৰ ভাৰধাৰাই সামাজিক সম্প্ৰীতিক অধিক শক্তিশালী কৰি তুলিছে। এই মহান ব্যক্তিগৰাকীয়ে দেখুৱাই থৈ যোৱা সাংস্কৃতিক ৰাষ্ট্ৰীয়বাদৰ নীতিক অনুসৰণ কৰিয়েই প্ৰধানমন্ত্ৰী মোদীয়ে, উন্নয়ন দিশত শাৰীৰ একেবাৰে শেষ স্থানত থিয় হৈ থকা লোকজনো যাতে চৰকাৰী আঁচনিৰ দ্বাৰা উপকৃত হোৱাটো নিশ্চিত কৰিব পাৰিছে বুলি শ্ৰী শ্বাহে মত প্ৰকাশ কৰে।

আনহাতে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, পণ্ডিত দীনদয়াল উপাধ্যায়ে কেৱল ভাৰতবৰ্ষতেই নহয়, বৰঞ্চ সমগ্ৰ বিশ্বকেই নতুন অৰ্থনৈতিক দৰ্শন উপহাৰ দিয়াৰ লগতে ৰাজনীতিৰ ক্ষেত্ৰত বিশুদ্ধতা আৰু যথাৰ্থতাক প্ৰতিপন্ন কৰি থৈ গৈছে। পণ্ডিতগৰাকীৰ চিন্তাধাৰা তথা সমগ্ৰ জীৱনটোৱেই জীৱন আৰু কৰ্মক তেওঁ সকলোৰে বাবে অনুপ্ৰেৰণাৰ উৎস বুলি আখ্যা দিয়ে।

0000000

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে ছত্ৰপতি সম্ভাজিনগৰত মাৰাথৱাড়া বিজেপিৰ বিষয়ববীয়াৰ সৈতে এক বৈঠকত মিলিত হৈ আগন্তুক বিধানসভা নিৰ্বাচনৰ কৌশল সম্পৰ্কে আলোচনা কৰে। শ্বাহে মাৰাথৱাদা অঞ্চলত ৪৬খন আসনৰ ভিতৰত কমেও ৩০খন আসন লাভ কৰাৰ দৃঢ়তা প্ৰকাশ কৰে। বৈঠকৰ পাছতে অমিত শ্বাহ, মুখ্যমন্ত্ৰী একনাথ শিন্দে, উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ মাজত আসন আবণ্টন সন্দৰ্ভত আলোচনা হয়। মুখ্যমন্ত্ৰী সিন্ধেয়ে কয় যে অতি সোনকালে আসন বিতৰণ সন্দৰ্ভত আনুষ্ঠানিক ঘোষণা কৰা হ'ব।

0000000

ভাৰতে শক্তিৰ সূচকাংকৰ দিশৰ পৰা জাপানক অতিক্ৰম কৰি ASIA POWER INDEX-ৰ তৃতীয় স্থান অধিকাৰ কৰিছে। চলিত বৰ্ষৰ ASIA POWER INDEX-ৰ প্ৰতিবেদন অনুসৰি ক'ভিড অতিমাৰীৰ পৰৱৰ্তী সময়ছোৱাত শক্তিশালী অৰ্থনৈতিক বিকাশৰ জৰিয়তে দেশখনে ইয়াৰ অৰ্থনৈতিক সমৰ্থক ৪ দশমিক ২ পইণ্ট বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে। একেদৰে ভৱিষ্যতৰ সম্পদ শিতানক ৮ দশমিক ২ পইণ্টৰ অগ্ৰগতিকে ধৰি প্ৰতিবেদনত বিবেচনাৰ অধীনলৈ অহা সম্পদসমূহৰ প্ৰতিটো শিতানতেই ভাৰতে অগ্ৰগতি প্ৰদৰ্শন কৰিছে। এনে বিকাশৰ ফলত যুৱ শক্তিৰ প্ৰাধান্য ঘটা ভাৰতৰ জনসংখ্যাই এছিয়াৰ আন দেশসমূহৰ তুলনাত আহিবলগীয়া দিনবোৰত অধিক উজ্বল ভৱিষ্যতৰ ইংগিত বহন কৰে বুলিও প্ৰকাশ পাইছে।

একেদৰে কূটনৈতিক প্ৰভাৱৰ দিশৰ পৰাও ভাৰতে নিজৰ স্থান উন্নত কৰিবলৈ সমৰ্থ হৈছে। ২০২৩ বৰ্ষত ASIA POWER INDEX-ৰ অন্তৰ্ভুক্ত দেশসমূহৰ ভিতৰত ষষ্ঠ সৰ্বাধিক সংখ্যক আলোচনাত অংশগ্ৰহণকাৰী দেশ হিচাপে পৰিগণিত হৈ ভাৰতে নিজৰ স্থান উন্নত কৰিছে। এনে উত্তৰণৰ ফলত দেশখনৰ ভূ-ৰাজনৈতিক অৱস্থানৰ উন্নতি ঘটাৰ সমান্তৰালভাৱে জাপানৰ দৰে দেশক অতিক্ৰম কৰি ভাৰতে তৃতীয় স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে বহিঃ পৰিবেশক আকাৰ প্ৰদান কৰাৰ সামৰ্থৰ ওপৰত ভিত্তি কৰি ২৭ খন দেশ তথা অঞ্চলক ASIA POWER INDEX-ৰ অধীনত বিবেচনা কৰা হয়। এনে

অঞ্চলসমূহক পশ্চিমে পাকিস্তান পৰ্যন্ত, উত্তৰে ৰাছিয়া পৰ্যন্ত তথা প্ৰশান্ত মহাসাগৰৰ ক্ষেত্ৰত অষ্ট্ৰেলিয়া, নিউজিলেণ্ড আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ পৰ্যন্ত স্পৰ্শ কৰে।

০০০০০০০

যোড়শ বিত্ত আয়োগৰ অধ্যক্ষগৰাকীৰ নেতৃত্বত আয়োগৰ সদস্যসকলৰ এটা দল আজি গুৱাহাটীত উপস্থিত হয়। অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ এটা দলে আজি পুৱা তেওঁলোকক গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আদৰণি জনায়। বিত্ত আয়োগৰ দ্বাৰা আৱণ্টিত পুঁজি ৰূপায়ণৰ বিষয়ে বুজ লোৱাৰ উদ্দেশ্যে চাৰিদিনীয়া ভ্ৰমণসূচীৰে আয়োগৰ এই দলটো অসমত উপস্থিত হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন দপ্তৰৰ ৰাজ্য মন্ত্ৰী সুৰেশ গোপী আজি চৰকাৰী ভ্ৰমণসূচীৰে মৰিগাঁৱত উপস্থিত হৈছে। জিলা প্ৰশাসন আৰু ভিন ভিন চৰকাৰী বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰাৰ লগতে মন্ত্ৰীগৰাকীয়ে জিলাখনত বিভিন্ন চৰকাৰী আঁচনিৰ ৰূপায়ণৰ বিষয়ে বুজ ল'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকী জিলা আয়ুক্তকেইগৰাকীকে ধৰি প্ৰশাসনৰ প্ৰতিনিধি আৰু স্থানীয় ৰাইজে আদৰণি জনায়। শ্ৰী গোপীয়ে ইতিমধ্যে মৰিগাঁও জিলাৰ লাহৰীঘাট উন্নয়ন খণ্ডত উপস্থিত হৈ চৰকাৰী আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয় বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

আনহাতে কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ তথা গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মাই আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। ঐতিহাসিক মৈদাম ক্ষেত্ৰত উপস্থিত হোৱা মন্ত্ৰীগৰাকীক কেন্দ্ৰীয় পুৰাতত্ব আৰু প্ৰত্নতত্ব সঞ্চালকালয়ৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। মন্ত্ৰী শ্ৰী বাৰ্মাই সেই স্থানত আহোম স্বৰ্গদেউসকলৰ উপৰি পুৰুষক স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰে। তেওঁ শেহতীয়াকৈ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰা আহোম ৰাজত্বকালৰ মৈদামৰ গঠন, ইতিহাস, ঐতিহাসিক মূল্য তথা গুৰুত্বৰ বিষয়েও বুজ লয়। আকাশবাণীৰ চৰাইদেউৰ সংবাদদাতাই এই কথা জানিবলৈ দিছে।

০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী অনুপ্ৰিয়া পেটেলে কয় যে জনস্বাস্থ্যৰ প্ৰতি ভাবুকি হিচাপে গণ্য কৰা এইচ আই ভি আৰু এইডছ মুক্ত কৰিবলৈ ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ভাৰতৰ দায়বদ্ধতা দোহাৰে।

ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৭৯ সংখ্যক অধিবেশনত অনুষ্ঠিত এখন সভাত তেওঁ এই শিতানত বিশ্বৰ ৭০ শতাংশতকৈ অধিক ঔষধ যোগান ধৰা এন্টি-ৰেট্ৰ'ভাইৰেল ঔষধৰ বিশ্বৰ সৰ্ববৃহৎ যোগানকাৰী হিচাপে ভাৰতৰ ভূমিকাক আলোকপাত কৰে।

শ্ৰীমতী পেটেলে কয় যে দেশত বছৰি ৩ কোটিতকৈ অধিক বিনামূলীয়া এইচ আই ভি পৰীক্ষা চলি থকা সকলো গৰ্ভৱতী মহিলাৰ বাবে বিস্তৃত এইচ আই ভি আৰু চিফিলিছ পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে আৰু ১৭ লাখতকৈ অধিক লোকে ৰাজহুৱা স্বাস্থ্যসেৱা ব্যৱস্থাৰ জৰিয়তে বিনামূলীয়াকৈ এণ্টি-ৰেট্ৰ'ভাইৰেল থেৰাপী লাভ কৰিছে। তেওঁ লগতে কয় যে

২০১০ চনৰ পৰা বাৰ্ষিক নতুন এইচ আই ভি সংক্ৰমণ ৪৪ শতাংশ হ্ৰাস পাইছে, যিয়ে বিশ্বজুৰি ৩৯ শতাংশ হ্ৰাসৰ হাৰক অতিক্ৰম কৰিছে।

০০০০০০০

ঝাৰখণ্ড বিজেপিৰ সহ প্ৰভাৰী তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, সমাগত ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত বিজেপিয়ে জে ডি ইউ আৰু অল ঝাৰখণ্ড ষ্টুডেণ্টছ্ ইউনিয়নৰ সৈতে একেলগে প্ৰতিদ্বন্দ্বিতা কৰিব। তেওঁ কয় যে, আসন আৱণ্টনক লৈ কোনোধৰণৰ মতানৈক্য হোৱা নাই। ৰাঁচীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰী শৰ্মাই কয় যে, আসন ভাগ বাটোৱাৰাৰ প্ৰক্ৰিয়া চূড়ান্ত পৰ্যায়ত আছে আৰু অক্টোবৰৰ প্ৰথম সপ্তাহত প্ৰাৰ্থী তালিকা ঘোষণা কৰা হ'ব।

০০০০০০০

মাকাউ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ আজি অনুষ্ঠিত প্ৰথম ৰাউণ্ডৰ খেলত ভাৰতৰ কিডাম্বী শ্ৰীকান্তে ইজৰাইলৰ ডেনিয়েল ডুবৰেংকোক ২১-১৪, ২১-১৫ ছেটত পৰাভূত কৰে। আনহাতে মিক্সড ডাবলছত ভাৰতৰ এন ছিক্কী ৰেড্ডী আৰু বি সুমিত ৰেড্ডীয়ে মালয়েছিয়াৰ হ' ল' ই আৰু লু বিংগ কুনক ২৪-২২, ১০-২১ আৰু ২১-১৩ ছেটত পৰাভূত কৰে।

প্ৰতিযোগিতাৰ ডাবলছ্ শিতানত তৃতীয় শীৰ্ষ বাছনিৰ খেলুৱৈৰ যুটী ভাৰতৰ গায়ত্ৰী গোপীচান্দ আৰু তৃষা জ'লী ৰাউণ্ড অৱ ছিক্সিটনত উপনীত হৈছে। তেওঁলোকে জাপানৰ আকাৰী ছাট' আৰু মায়া টাগুচিৰ যুটীটোক ১৫-১২, ২১-১৬ আৰু ২১-১৪ৰ ছেটত পৰাভূত কৰে। প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলত তেওঁলোক টাইৱানৰ লীন চি চুন আৰু টেং চুন ছুনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাপ্ত